[২০১২] ৫ এছ. চি. আৰ. ১১৭৩

হুইড্ৰম ক'নুংজাও সিং

বনাম

মনিপুৰ ৰাজ্য আৰু অন্যান্য

(ফৌজদাৰী আপীল নং ৮৪০/ ২০১২)

১৭মে, ২০১২

[ন্যায়াধীশ ড° বি. এছ. চৌহান আৰু ন্যায়াধীশ দীপক মিশ্ৰ]

*ৰাষ্ট্ৰীয় নিৰাপত্তা আইন, ১৯৮০:*

*ধাৰা নং ৩(২)- আই. পি. চি.(ভাৰতীয় দণ্ডবিধি)ৰ ধাৰা ৩০২ আৰু আৰ্মচ এক্ট (অস্ত্ৰ আইন)ৰ ধাৰা ২৫(১-চি)ৰ অধীনত দণ্ডনীয় অপৰাধৰ বাবে গ্ৰেপ্তাৰ কৰা এজন ব্যক্তিৰ বিৰুদ্ধে আটকৰ নিৰ্দেশ- উপস্থাপন কৰে: তাৎক্ষণিক গোচৰটোত, এন. এছ. আইন(ৰাষ্ট্ৰীয় নিৰাপত্তা আইন)ৰ ব্যৱস্থাসমূহৰ আশ্ৰয় লোৱাৰ অনুমতি নাছিল, যিহেতু বন্দীজনে কোনো জামিন আবেদন দাখিল কৰা নাছিল আৰু আন কোনো সহ-অভিযুক্ত, যদি থাকে, জামিন বৃদ্ধি কৰা হোৱা নাছিল- ইতিমধ্যে, জিম্মাত থকা এজন ব্যক্তিৰ ক্ষেত্ৰত আটকৰ আদেশ প্ৰদান কৰাৰ সময়ত বিবেচনা কৰিবলগীয়া কাৰকসমূহ, ৰায়ত উল্লেখ কৰা হৈছে- ভাৰতৰ সংবিধান, ১৯৫০- অনুচ্ছেদ নং ২১ আৰু ২২।*

১৯.০৬.২০১১-ত আপীলকাৰীৰ পুত্ৰক (বিচাৰাধীন বন্দী) আই. পি. চি.-ৰ ধাৰা ৩০২ আৰু অস্ত্ৰ আইনৰ ধাৰা ২৫(১-চি)ৰ অধীনত দণ্ডনীয় অপৰাধৰ সন্দৰ্ভত আটক কৰে। জিলা ন্যায়িক দণ্ডাধীশে ৰাষ্ট্ৰীয় নিৰাপত্তা আইন, ১৯৮০-ৰ ধাৰা ৩(২)-ৰ অধীনত

এক গ্ৰেপ্তাৰৰ আদেশ জাৰি কৰিছিল এই আশংকাত যে, একেধৰণৰ গোচৰত জড়িত অভিযুক্তজনক জামিনত মুকলি কৰা হৈছিল আৰু তাৎক্ষণিক গোচৰটোৰ বন্দীকো জামিনত মুকলি কৰা হ'ব আৰু তেওঁ সামাজিক শৃংখলাৰ ক্ষেত্ৰত পক্ষপাতমূলক কাৰ্যকলাপত লিপ্ত হ'ব পাৰে। গ্ৰেপ্তাৰৰ গোচৰটো ১৬.০৮.২০১১-ত নিশ্চিত কৰা হৈছিল। বন্দীজনৰ পিতৃয়ে দাখিল কৰা লেখ আবেদন উচ্চ ন্যায়ালয়ে নাকচ কৰাৰ পিছত, তেওঁ বৰ্তমানৰ আপীল আবেদন দাখিল কৰিছিল।

আপীলটোৰ অনুমতি প্ৰদান কৰি আদালতে কয়ঃ

উপস্থাপন কৰে: ১.১ এজন ব্যক্তিৰ ব্যক্তিগত স্বাধীনতাৰ প্ৰশ্নটো অলঙ্ঘনীয় আৰু আইনৰ দ্বাৰা নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ ৰাজ্যিক কৰ্তৃপক্ষৰ হস্তক্ষেপ কৰাৰ অনুমতি নাই, অন্যথা হ'লে সংবিধানৰ ২১ আৰু ২২নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা মৌলিক অধিকাৰৰ উলংঘন হ'ব। [অনুচ্ছেদ ৪] [১১৭৮- ই]

*আয়া ওৰফে আয়ুব বনাম উত্তৰ প্ৰদেশ ৰাজ্য আৰু আনএজন,* ১৯৮৮ (৩) সাপ্লি. এছ.চি.আৰ. ৯৬৭= এ.আই.আৰ. ১৯৮৯ এছ.চি. ৩৬৪; *য়ুমমান ওঙ্গবি লেম্বি লেইমা বনাম মণিপুৰ ৰাজ্য আৰু অন্যান্য,* (২০১২) ২ এছ.চি.চি. ১৭৬- উল্লেখ কৰা হৈছে।

১.২ ফৌজদাৰী গোচৰৰ সন্দৰ্ভত ইতিমধ্যে জিম্মাত থকা এজন ব্যক্তিৰ ক্ষেত্ৰত গ্ৰেপ্তাৰৰ আদেশ প্ৰদান কৰিবলৈ আইনত কোনো নিষেধাজ্ঞা নাই। অৱশ্যে, যদি গ্ৰেপ্তাৰৰ আদেশক প্ৰত্যাহ্বান জনোৱা হয়, তেন্তে গ্ৰেপ্তাৰ কৰা কৰ্তৃপক্ষই আদালতক তথ্যবোৰ প্ৰতিষ্ঠা কৰিব লাগিবঃ (১) বন্দীজন প্ৰকৃততে জিম্মাত আছিল বুলি কৰ্তৃপক্ষ সম্পূৰ্ণৰূপে অৱগত আছিল; (২) উক্ত কৰ্তৃপক্ষৰ আগত নিৰ্ভৰযোগ্য তথ্য আছিল যাৰ ভিত্তিত তেওঁ বিশ্বাস কৰিব পাৰে যে, তেওঁক জামিনত মুকলি কৰাৰ সম্ভাৱনা বিদ্যমান

আৰু মুক্তি পোৱাৰ পিছত তেওঁ সম্ভৱতঃ সামাজিক শৃংখলাৰ প্ৰতি কুপ্ৰভাৱ পেলোৱা কাৰ্যকলাপত লিপ্ত হ'ব; আৰু (৩) এইকথা সৰোগত কৰি, কৰ্তৃপক্ষই তেওঁক এনে কাৰ্যকলাপত লিপ্ত হোৱাত বাধা দিয়াৰ প্ৰয়োজন অনুভৱ কৰিছিল আৰু সেয়েহে, গ্ৰেপ্তাৰৰ আদেশ প্ৰয়োজনীয় আছিল। যদি, এই তথ্যসমূহৰ যিকোনো এটাৰ অস্তিত্ব নাথাকে তেন্তে গ্ৰেপ্তাৰৰ আদেশ নিষ্ক্ৰিয় হৈ পৰিব। [দফা ৯] [১১৮০- জি- এইচ; ১১৮১- এ- চি]

*ধৰ্মেন্দ্ৰ সুগঞ্চান্দ চেলৱাট আৰু আনএজন বনাম ভাৰত সংঘ আৰু অন্যান্য,* ১৯৯০ (১) এছ. চি. আৰ. ৩০৩= এ. আই. আৰ. ১৯৯০ এছ. চি. ১১৯৬, *ৰামেশ্বৰ শ্ব বনাম জিলা ন্যায়াধীশ, বৰদ্বান,* ১৯৬৪ এছ. চি. আৰ. ৯২১= এ. আই. আৰ. ১৯৬৪ এছ. চি. ৩৩৪; *মাসুদ আলম বনাম ভাৰত সংঘ,* ১৯৭৩ (৩) এছ. চি. আৰ. ২৬৮= এ. আই. আৰ. ১৯৭৩ এছ. চি. ৮৯৭; *দুলাল ৰয় বনাম জিলা ন্যায়াধীশ, বৰদ্বান, ১৯৭৫* (৩) এছ. চি. আৰ. ১৮৬= এ. আই. আৰ. ১৯৭৫ এছ. চি. ১৫০৮; *আলিজান মিয়া বনাম জিলা ন্যায়াধীশ, ধানবাদ, ১৯৮৩* (৩) এছ. চি. আৰ. ৯৩৯= এ. আই. আৰ. ১৯৮৩ এছ. চি. ১১৩০; *ৰমেশ যাদৱ বনাম জিলা ন্যায়াধীশ, ইটাহ,* এ.আই.আৰ. ১৯৮৬ এছ.চি. ৩১৫; *সুৰজ পাল সাহু বনাম মহাৰাষ্ট্ৰ ৰাজ্য, ১৯৮৬* (৩) এছ.চি.আৰ. ৮৩৭= এ.আই.আৰ. ১৯৮৬ এছ.চি. ২১৭৭; *বিনোদ সিং বনাম জিলা ন্যায়াধীশ, ধানবাদ,* ১৯৮৬ (৩) এছ.চি.আৰ. ৯০৬= এ.আই.আৰ. ১৯৮৬ এছ.চি. ২০৯০; *শ্ৰীমতী শশী আগৰৱাল বনাম উত্তৰ প্ৰদেশ ৰাজ্য,* এ. আই. আৰ. ১৯৮৮ এছ. চি. ৫৯৬; *অমৃতলাল আৰু অন্যান্য বনাম সচিবৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ, বিত্ত মন্ত্ৰালয় আৰু অন্যান্য,* ২০০০ (৪) সাপ্লি. এছ. চি. আৰ. ৪৫০= এ. আই. আৰ. ২০০০ এছ. চি. ৩৬৭৫; *এন. মীৰা ৰাণী বনাম তামিলনাডু চৰকাৰ,* ১৯৮৯ (৩) এছ. চি. আৰ. ৯০১= এ. আই. আৰ. ১৯৮৯ এছ. চি.

২০২৭; *কামৰুন্নিছা বনাম ভাৰত চৰকাৰ আৰু আনএজন,* ১৯৯০ (১) সাপ্লি. এছ. চি. আৰ. ৪৫৭= এ. আই. আৰ. ১৯৯১ এছ. চি. ১৬৪০; আৰু *ভাৰত সংঘ বনাম পল মানিকাম আৰু আনএজন,* ২০০৩ (৪) সাপ্লি. এছ. চি. আৰ. ৬১৮= এ. আই. আৰ. ২০০৩ এছ. চি. ৪৬২২; *এ. গীতা বনাম তামিলনাডু ৰাজ্য আৰু আনএজন,* ২০০৬ (৫) সাপ্লি. এছ. চি. আৰ. ৭২৪= এ. আই. আৰ. ২০০৬ এছ. চি. ৩০৫৩; *ৰাজেশ গুলাতি বনাম এন. চি. টি., দিল্লী,* এ. আই. আৰ. ২০০২ এছ. চি. ৩০৯৪; *ইব্ৰাহিম নাজিৰ বনাম তামিলনাডু ৰাজ্য আৰু আনএজন* ২০০৬ (৩) সাপ্লি. এছ. চি. আৰ. ৩৫৭= (২০০৬) ৬ এছ. চি. চি. ৬৪; আৰু *চেন্থামিলচেলভি বনাম তামিলনাডু ৰাজ্য আৰু আনএজন* ২০০৬ (৩) সাপ্লি. এছ.চি.আৰ. ২৪= (২০০৬) ৫ এছ.চি.চি. ৬৭৬- উল্লেখ কৰা হৈছে।

১.৩ এইটো একেধৰণৰ গোচৰ নহয়, অৰ্থাৎ একেধৰণৰ অপৰাধৰ সৈতে জড়িত, কিন্তু এনে হ'ব লাগে যে, একে অপৰাধৰ সহ-অভিযুক্তজনক জামিনত মুকলি কৰা হয় আৰু যাৰ ভিত্তিত বন্দীজনক জামিনত মুকলি কৰিব পাৰি। [দফা ১২] [১১৮৩- চি]

*ৰেখা বনাম তামিলনাডু ৰাজ্য চৰকাৰৰ সচিবৰ জৰিয়তে আৰু আনএজন,* ২০১১ (৪) এছ.চি.আৰ. ৭৪০= (২০১১) ৫ এছ.চি.চি. ২৪৪- উল্লেখ কৰা হৈছে।

১.৪ বৰ্তমানৰ গোচৰটোত, বন্দীজনক অস্ত্ৰ আইনৰ ধাৰা নং ২৫ (১- এ)ৰ সৈতে আই. পি. চি.ৰ ৩০২ধাৰাৰ অধীনত অপৰাধৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছিল, যি ২০১১চনৰ এফ. আই. আৰ. নং ৫৩ (৬) তাৰিখৰ সৈতে সম্পৰ্কিত। এফ. আই. আৰ. অচিনাকি লোকৰ বিৰুদ্ধে দাখিল কৰা হৈছিল, কিন্তু উক্ত অপৰাধৰ সন্দৰ্ভত ১৯.০৬.২০১১ত বন্দীজনক গ্ৰেপ্তাৰ কৰা হৈছিল। পৰৱৰ্তী সময়ত, এন. এছ. আইনৰ

অধীনত ৩০.০৬.২০১১তাৰিখৰ জিলা ন্যায়িক দণ্ডাধীশৰ আটকৰ আদেশটো প্ৰণয়ন কৰা বিভিন্ন কাৰণৰ ভিত্তিত আটক কৰা ব্যক্তিজন ধন দাবী আৰু এক বেআইনী সংস্থাৰ আত্মগোপন কৰি থকা সদস্যসকলক আশ্ৰয় দিয়াৰ সৈতে জড়িত আছিল আৰু তেওঁৰ কাৰ্য্যৰ ৰাজ্যখনৰ নিৰাপত্তা আৰু সামাজিক শৃংখলা বজাই ৰখাৰ বাবে ন্যায় বহিৰ্ভূত আছিল। আটকৰ আদেশৰ সমৰ্থনত, বৃহৎ সংখ্যক নথিপত্ৰত নিৰ্ভৰ কৰা হৈছিল আৰু বেআইনী কাৰ্য্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৬৭ (ইউ. এ. (পি) আইন)ৰ ধাৰা নং ১৭/২০ৰ অধীনত এফ. আই. আৰ. নং ২৫৪ (১২) ২০১০ আৰু ইউ. এ. (পি) আইনৰ ধাৰা নং ২০ৰ অধীনত এফ. আই. আৰ. নং ২১০(৫) ২০১১-ৰ প্ৰতিলিপি আৰু সেইক্ষেত্ৰত গৃহীত ১৩.১২.২০১০ আৰু ০১.০৬.২০১১ তাৰিখৰ মুকলিৰ আদেশকে ধৰি বহু নথি বন্দীজনক যোগান ধৰা হৈছিল। তাৎক্ষণিক গোচৰটোত, স্বীকাৰযোগ্যভাৱে জামিন আদেশবোৰৰ ওপৰত নিৰ্ভৰ কৰা একে গোচৰৰ সহ-অভিযুক্তৰ সৈতে সম্পৰ্কিত নহয়। সেই গোচৰবোৰত জামিনত মুক্তি পোৱা অভিযুক্তসকলৰ বৰ্তমানৰ গোচৰৰ সৈতে কোনো সম্পৰ্ক নাছিল। কেৱল, একেধৰণৰ গোচৰত আন কাৰোবাক জামিন প্ৰদান কৰা হোৱাৰ বাবে তাৎক্ষণিক গোচৰটোত বন্দীজনে আবেদন কৰিলে তেওঁক জামিনত মুকলি কৰি দিয়া হ'ব পাৰে বুলি কোনো অনুমান কৰিব নোৱাৰি। যিহেতু তাৎক্ষণিক গোচৰটোৰ বন্দীজনে জামিন আবেদন দাখিল কৰা নাই আৰু আন কোনো সহ-অভিযুক্ত যদি থাকে, লগতে জামিনত মুকলি কৰা হোৱা নাছিল, সেয়েহে আইনৰ ব্যৱস্থাসমূহৰ আশ্ৰয় লোৱাটো অনুমোদিত নাছিল। সেয়েহে, গ্ৰেপ্তাৰৰ বিচাৰাধীন আদেশটো আটকৰ ভিত্তিত কেৱল ipse dixit (প্ৰমাণ নোহোৱাকৈ নিজাববীয়াকৈ কোৱা) বিবৃতিৰ ওপৰত আধাৰিত আৰু যি আইনৰ দৃষ্টিত বহন কৰিব নোৱাৰি আৰু এনেদৰে ইয়াক বাতিল কৰা হয়। [দফা ১৩- ১৫] [১১৮৩- ডি- এইচ] [১১৮৪- এ- ডি]

## প্ৰসংগিক গোচৰঃ

| | | |
|---|---|---|
| ১৯৮৮ (৩) সাপ্লি. এচ.চি.আৰ. ৯৬৭ | প্ৰসংগ | দফা ৪ |
| ২০১২ (২) এচ.চি.চি. ১৭৬ | প্ৰসংগ | দফা ৫ |
| ১৯৯০ (১) এচ.চি.আৰ. ৩০৩ | প্ৰসংগ | দফা ৬ |
| ১৯৬৪ এচ.চি.আৰ. ৯২১ | প্ৰসংগ | দফা ৬ |
| ১৯৭৩ (৩) এচ.চি.আৰ. ২৬৮ | প্ৰসংগ | দফা ৬ |
| ১৯৭৫ (৩) এচ.চি.আৰ. ১৮৬ | প্ৰসংগ | দফা ৬ |
| ১৯৮৩ (৩) এচ.চি.আৰ. ৯৩৯ | প্ৰসংগ | দফা ৬ |
| ১৯৮৬ এ.আই.আৰ. ৩১৫ | প্ৰসংগ | দফা ৬ |
| ১৯৮৬ (৩) এচ.চি.আৰ. ৮৩৭ | প্ৰসংগ | দফা ৬ |
| ১৯৮৬ (৩) এচ.চি.আৰ. ৯০৬ | প্ৰসংগ | দফা ৬ |
| ১৯৮৮ এ.আই.আৰ. ৫৯৬ | প্ৰসংগ | দফা ৬ |
| ২০০০ (৪) সাপ্লি. এচ.চি.আৰ. ৪৫০ | প্ৰসংগ | দফা ৭ |
| ১৯৮৯ (৩) এচ.চি.আৰ. ৯০১ | প্ৰসংগ | দফা ৭ |
| ১৯৯০ (১) সাপ্লি. এচ.চি.আৰ. ৪৫৭ | প্ৰসংগ | দফা ৭ |
| ২০০৩ (৪) সাপ্লি. এচ.চি.আৰ. ৬১৮ | প্ৰসংগ | দফা ৭ |
| ২০০৬ (৩) সাপ্লি. এচ.চি.আৰ. ৩৫৭ | প্ৰসংগ | দফা ৮ |
| ২০০৬ (৫) সাপ্লি. এচ.চি.আৰ. ৭২৪ | প্ৰসংগ | দফা ৮ |
| ২০০৬ (৩) সাপ্লি. এচ.চি.আৰ. ২৪ | প্ৰসংগ | দফা ৮ |
| এ.আই.আৰ. ২০০২ এচ.চি. ৩০৯৪ | প্ৰসংগ | দফা ৮ |
| ২০১১ (৪) এচ. চি.আৰ. ৭৪০ | প্ৰসংগ | দফা ১২ |

ফৌজদাৰী আপীলীয় ক্ষেত্ৰাধিকাৰ- ফৌজদাৰী আপীল ৮৪০- ২০১২।

গৌহাটী উচ্চ ন্যায়ালয়ৰ ইম্ফল পীঠৰ লেখ আবেদন (ফৌজদাৰী) নং ৯৮/ ২০১১ৰ ১৩.০১.২০১২তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

হাজিৰ হোৱা দলসমূহৰ হৈ আৰ. পি. ভট্ট, এল. ৰোশমানী, সোমিৰণ শৰ্মা, বি. সুনীতা ৰাও, অনিন্দিতা পোপলি, খাৰাইৰকপাম নোবিন সিং।

আদালতৰ ৰায় প্ৰদান কৰিছে-

**ন্যায়াধীশ ড° বি. এছ. চৌহান, ১.** ৰাষ্ট্ৰীয় নিৰাপত্তা আইন, ১৯৮০ (ইয়াৰ পিছত 'আইন' বুলি কোৱা হয়) ৰ ধাৰা নং ৩(২)ৰ অধীনত ইম্ফল পশ্চিম জিলাৰ, জিলা ন্যায়িক দণ্ডাধীশে গৃহীত কৰা আপীলকাৰীৰ পুত্ৰক আটক কৰাৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই ৩০-০৬-২০১১তাৰিখৰ হেবিয়াছ কৰ্পাছ(বন্দী প্ৰত্যক্ষীকৰণ)ৰ আবেদন নাকচ কৰি, গৌহাটী উচ্চ ন্যায়ালয়ৰ ইম্ফলস্থিত ইম্ফল পীঠৰ লেখ আবেদন(ফৌজদাৰী) নং ৯৮/২০১১ত ১৩-০১-২০১২দিয়া বিচাৰাধীন ৰায় আৰু নিৰ্দেশৰ বিৰুদ্ধে এই ফৌজদাৰী আপীল দাখিল কৰা হৈছে।

২. আবেদনকাৰীৰ পুত্ৰ হুইড্ৰম শান্তিকুমাৰ সিঙক ইম্ফল আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধি, ১৮৬০ (আগলৈ আই. পি. চি. বুলি কোৱা হ'ব) আৰু অস্ত্ৰ আইন, ১৯৫৯ (আগলৈ 'অস্ত্ৰ আইন' বুলি কোৱা হ'ব)ৰ ধাৰা ২৫(১- চি)ৰ অধীনত গ্ৰেপ্তাৰ কৰিছিল। ইম্ফল পশ্চিমৰ জিলা ন্যায়িক দণ্ডাধীশে এই আইনৰ অধীনত ৩০.০৬.২০১১তাৰিখৰ আটকৰ নিৰ্দেশটো বিভিন্ন ভিত্তিত এই আশংকাত প্ৰদান কৰিছিল যে, একেধৰণৰ গোচৰৰ দৰেই, জড়িত অভিযুক্তজনক জামিনত মুকলি কৰা হৈছিল আৰু এই গোচৰৰ

বন্দীক জামিনত মুকলি কৰি দিয়া হ'ব আৰু তেওঁ সামাজিক শৃংখলাৰ প্ৰতি পক্ষপাতমূলক কাৰ্য্যত লিপ্ত হ'ব।

৩. আপীলকাৰীৰ পুত্ৰক ০২-০৭-২০১১ তাৰিখৰ আটকৰ ভিত্তি জনোৱা হৈছিল। বন্দীজনে কেন্দ্ৰীয় চৰকাৰৰ লগতে মণিপুৰ চৰকাৰৰ সন্মুখত ১৬-০৭-২০১১ত প্ৰতিনিধিত্ব কৰিছিল, যি নাকচ কৰা হৈছে। ১৬-০৮-২০১১ তাৰিখৰ নিশ্চিতকৰণ আদেশৰ জৰিয়তে আটকৰ আদেশটো নিশ্চিত কৰা হৈছিল আৰু ১৮-০৮-২০১১ত এই আদেশ বন্দীজনক প্ৰদান কৰা হৈছিল। আপীলকাৰীয়ে গ্ৰেপ্তাৰৰ আদেশক প্ৰত্যাহ্বান জনাই লেখ আবেদন (ফৌজদাৰী) নং ৯৮/২০১১ গুৱাহাটীস্থিত উচ্চ ন্যায়ালয় (ইম্ফল পীঠ)ত ৰুজু কৰে, যি ১৩-০১-২০১২ৰ বিচাৰাধীন ৰায় আৰু আদেশৰ জৰিয়তে নাকচ কৰিছিল। সেয়েহে, এই আপীল আবেদন কৰা হয়।

৪. এজন ব্যক্তিৰ ব্যক্তিগত স্বাধীনতাৰ প্ৰশ্নটো পৱিত্ৰ আৰু ৰাজ্যিক কৰ্তৃপক্ষক আইনৰ নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ ইয়াক আঁতৰাবলৈ অনুমতি দিব নোৱাৰি, অন্যথা হ'লে সংবিধানৰ ২১ আৰু ২২নং অনুচ্ছেদৰ অধীনত প্ৰদান কৰা মৌলিক অধিকাৰৰ উলংঘন হ'ব। *আয়া ওৰফে আয়ুব বনাম উত্তৰপ্ৰদেশ ৰাজ্য আৰু আনএজন,* এ. আই. আৰ. ১৯৮৯ এছ. চি. ৩৬৪ গোচৰত এই আদালতে ৰায় দিছিল যে, preventive detention(প্ৰতিৰোধমূলক আটক)ৰ আইনৰ আধাৰ আৰু মূল ভিত্তি "jurisdiction of suspicion(সন্দেহৰ ক্ষেত্ৰাধিকাৰ)" হিচাপে বৰ্ণনা কৰিব পাৰি আৰু গণতান্ত্ৰিক সমাজৰ স্বাধীনতা আৰু সামাজিক ব্যৱস্থাৰ মূল্যবোধৰ বাধ্যবাধকতাই কেতিয়াবা ব্যক্তিৰ স্বাধীনতা হ্ৰাস কৰিবলৈ বাধ্য কৰিব পাৰে।

৫. *য়ুমমান ওঙ্গবি লেম্বি লেইমা বনাম মণিপুৰ ৰাজ্য আৰু অন্যান্য,* (২০১২) ২ এছ. চি. চি. ১৭৬ গোচৰত এই আদালতে বিচাৰ কৰিছিল যে, ব্যক্তিগত স্বাধীনতা হৈছে

সংবিধানৰ তৃতীয় খণ্ডৰ অধীনত নিশ্চয়তা দিয়া আটাইতকৈ মূল্যৱান আৰু উৎকৃষ্ট অধিকাৰ। ৰাজ্যখনক ফৌজদাৰী আইনৰ অধীনত আৰু প্ৰতিৰোধমূলক আটক আইনৰ অধীনত এনে অধিকাৰ নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে, যিবোৰ সেয়েহে, উপযুক্ত সাৱধানতাৰে ব্যৱহাৰ কৰাৰ লগতে এনে কাৰ্য্যবোৰ ৰাজ্য আৰু ইয়াৰ নাগৰিকৰ স্বাৰ্থ আৰু নিৰাপত্তাৰ প্ৰতি কোনোধৰণে প্ৰভাৱশালী নেকি, বা ৰাজহুৱা আইন-শৃংখলা বিঘ্নিত কৰাৰ চেষ্টা কৰে নেকি- এই পৰীক্ষাৰ দ্বাৰা এনে আদেশ জাৰি কৰাৰ নিশ্চয়তা প্ৰদান কৰে।

৬. কাৰাগাৰত থকা এজন ব্যক্তিক আটক আইনৰ অধীনত আটক কৰিব পাৰি নে নাই সেয়া এই আদালতৰ আগত পুন: পুন: বিবেচনাৰ বিষয় হৈ আহিছে। *ধৰ্মেন্দ্ৰ সুগঞ্চান্দ চেলৱাট আৰু আনএজন বনাম ভাৰত চৰকাৰ আৰু অন্যান্য,* এ. আই. আৰ. ১৯৯০ এছ. চি. ১১৯৬, এই আদালতে একে বিষয়টো বিবেচনা কৰি *ৰামেশ্বৰ শ্ব বনাম জিলা ন্যায়িক দণ্ডাধীশ, বৰদ্বান,* এ. আই. আৰ. ১৯৬৪ এছ. চি. ৩৩৪; *মাসুদ আলম বনাম ভাৰত চৰকাৰ,* এ. আই. আৰ. ১৯৭৩ এছ. চি. ৮৯৭; *দুলাল ৰয় বনাম জিলা ন্যায়িক দণ্ডাধীশ, বৰদ্বান,* এ. আই. আৰ. ১৯৭৫ এছ. চি. ১৫০৮; *আলিজান মিয়া বনাম জিলা ন্যায়িক দণ্ডাধীশ, ধানবাদ,* এ. আই. আৰ. ১৯৮৩ এছ. চি. ১১৩০; *ৰমেশ যাদৱ বনাম জিলা ন্যায়িক দণ্ডাধীশ, ইটাহ,* এ. আই. আৰ. ১৯৮৬ এছ. চি. ৩১৫; *সুৰজ পাল সাহু বনাম মহাৰাষ্ট্ৰ ৰাজ্য,* এ. আই. আৰ. ১৯৮৬ এছ. চি. ২১৭৭; *বিনোদ সিং বনাম জিলা ন্যায়িক দণ্ডাধীশ, ধনবাদ,* এ. আই. আৰ. ১৯৮৬ এছ. চি. ২০৯০; *শ্ৰীমতী শশী আগৰৱাল বনাম উত্তৰ প্ৰদেশ ৰাজ্য,* এ. আই. আৰ. ১৯৮৮ এছ. চি. ৫৯৬, লগতে নিম্নলিখিত সিদ্ধান্তত উপনীত হৈছিলঃ

"ওপৰত উল্লেখকৰা ৰায়বোৰ এই সিদ্ধান্তত উপনীত হয় যে, জিম্মাত থকা এজন ব্যক্তিৰ বিৰুদ্ধে আটকৰ আদেশ বৈধভাৱে প্ৰেৰণ কৰিব পাৰি আৰু সেই উদ্দেশ্যত আটকৰ কাৰণবোৰে দেখুৱাব লাগিব যে, (i) আটক কৰা কৰ্তৃপক্ষ ইতিমধ্যে আটক হৈ থকা কথাটোৰ বিষয়ে অৱগত আছিল; আৰু (ii) বন্দী ইতিমধ্যে আটক হৈ থকা স্বত্বেও এনে আটকক ন্যায্যতা প্ৰদান কৰাৰ বলপূৰ্বক কাৰণ আছিল। ইতিমধ্যে, জিম্মাত থকা এজন ব্যক্তিক আটক কৰাৰ নিৰ্দেশ দিয়াৰ সন্দৰ্ভত "বলপূৰ্বক কাৰণ" অভিব্যক্তিটোৱে বুজাই যে, আটক কৰা কৰ্তৃপক্ষৰ সন্মুখত দৃঢ় কাৰণ থাকিব লাগিব যাৰ ভিত্তিত সন্তুষ্ট হ'ব পাৰে যে, (a) আটক কৰা লোকক অদূৰ ভৱিষ্যতে জিম্মাত পৰা মুকলি কৰাৰ সম্ভাৱনা আছে, আৰু (b) বন্দীৰ পূৰ্বৰ কাৰ্যকলাপৰ প্ৰকৃতি বিবেচনা কৰি, সম্ভৱতঃ তেওঁ জিম্মাৰ পৰা মুকলি হোৱাৰ পিছত পক্ষপাতমূলক কাৰ্যকলাপত লিপ্ত হ'ব আৰু তেওঁক এনে কাৰ্য জড়িত হোৱাত বাধা দিবলৈ তেওঁক আটক কৰাটো প্ৰয়োজনীয়।"

৫. *অমৃতলাল আৰু অন্যান্য বনাম কেন্দ্ৰীয় চৰকাৰৰ সচিব, বিত্ত মন্ত্ৰালয় আৰু অন্যান্য*, এ. আই. আৰ. ২০০০ এছ. চি. ৩৬৭৫-ৰ জৰিয়তে একেধৰণৰ সমস্যাৰ উদ্ভৱ হৈছিল, যেতিয়া আটক কৰা কৰ্তৃপক্ষই ইতিমধ্যে কাৰাগাৰত থকা ব্যক্তিজনে জামিন আবেদন দাখিল কৰিব এই কথাটোৰ প্ৰতি লক্ষ্য ৰাখি এই আইনৰ অধীনত আটক কৰাৰ উদ্দেশ্যত সন্তুষ্টি লিপিবদ্ধ কৰিছিল। আটকৰ ভিত্তিত উল্লেখ কৰা হৈছিল যে, "বন্দীজনে জামিনৰ বাবে আবেদন দাখিল কৰাৰ সম্ভাৱনা আছে" আৰু সেয়েহে আটক কৰাটো প্ৰয়োজনীয়। এই আদালতে বিচাৰ কৰিছিল যে, তেওঁক জামিনত মুকলি কৰাৰ সম্ভাৱনা আছে বুলি আটকৰ আদেশটো প্ৰেৰণ কৰা কৰ্তৃপক্ষৰ দৃঢ় তথ্য থাকিব লাগিব।

(লগতে চাওকঃ *এন. মীৰা ৰাণী বনাম তামিলনাডু ৰাজ্য চৰকাৰ*, এ. আই. আৰ. ১৯৮৯ এছ. চি. ২০২৭; *কামৰুন্নিছা বনাম ভাৰত চৰকাৰ আৰু আনএজন*, এ. আই. আৰ. ১৯৯১ এছ. চি. ১৬৪০; আৰু *ভাৰত চৰকাৰ বনাম পল মানিকাম আৰু আনএজন*, এ. আই. আৰ. ২০০৩ এছ. চি. ৪৬২২)।

৮. এই আদালতে *এ. গীতা বনাম তামিলনাডু ৰাজ্য আৰু আনএজন*, এ. আই. আৰ. ২০০৬ এছ. চি. ৩০৫৩ গোচৰৰ সিদ্ধান্ত লোৱাৰ সময়ত পূৰ্বৰ ৰায়সমূহ- *ৰাজেশ গুলাটী বনাম দিল্লীৰ এন. চি. টি. চৰকাৰ*, এ. আই. আৰ. ২০০২ এছ. চি. ৩০৯৪; *ইব্ৰাহিম নাজিৰ বনাম টি. এন. ৰাজ্য আৰু অন্যান্য*, (২০০৬) ৬ এছ. চি. চি. ৬৪ আৰু *চেন্থামিলচেলভি বনাম তামিলনাডু ৰাজ্য আৰু আনএজন*, (২০০৬) ৫ এছ. চি. চি. ৬৭৬-ৰ ওপৰত নিৰ্ভৰ কৰি ৰায় দিছিল যে, আটক কৰা কৰ্তৃপক্ষই অৱগত হোৱা উচিত যে, বন্দীজনক ইতিমধ্যে জিম্মাত ৰখা হৈছে আৰু তেওঁক জামিনত মুকলি কৰাৰ সম্ভাৱনা আছে। বন্দীজনক জামিনত মুকলি কৰি দিয়া হ'ব পাৰে বুলি সিদ্ধান্ত লোৱাটো আটক কৰোঁতা কৰ্তৃপক্ষৰ নিজাববীয়া সিদ্ধান্ত হ'ব নোৱাৰে। উপস্থাপিত যুক্তি ওপৰত আধাৰিত তেওঁৰ ব্যক্তিগত সন্তুষ্টিত সাধাৰণতে হস্তক্ষেপ কৰা উচিত নহয়।

৯. ওপৰোক্ত যুক্তিবোৰৰ প্ৰতি লক্ষ্য ৰাখি, এইটো ধাৰণা কৰিব পাৰি যে, ফৌজদাৰী গোচৰৰ সন্দৰ্ভত ইতিমধ্যে জিম্মাত থকা এজন ব্যক্তিৰ ক্ষেত্ৰত আটকৰ আদেশ পাছ কৰিবলৈ আইনত কোনো নিষেধাজ্ঞা নাই। অৱশ্যে, যদি আটকৰ আদেশক প্ৰত্যাহ্বান জনোৱা হয় তেন্তে আটককৰা কৰ্তৃপক্ষই নিম্নলিখিত তথ্যৰ দাখিলেৰে আদালতক সন্তুষ্ট কৰিব লাগিবঃ

(১) বন্দী প্ৰকৃততে জিম্মাত আছিল বুলি কৰ্তৃপক্ষ সম্পূৰ্ণৰূপে অৱগত আছিল।

(২) উক্ত কৰ্তৃপক্ষৰ আগত নিৰ্ভৰযোগ্য তথ্য আছিল, যাৰ ভিত্তিত তেওঁ বিশ্বাস কৰিব পাৰে যে, তেওঁক জামিনত মুকলি কৰাৰ প্ৰকৃত সম্ভাৱনা আছে আৰু মুকলি কৰাৰ পিছত তেওঁ সম্ভৱতঃ ৰাজহুৱা শৃংখলাৰ প্ৰতি পক্ষপাতমূলক কাৰ্যকলাপত লিপ্ত হ'ব।

(৩) উপৰোক্ত বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি, কৰ্তৃপক্ষই তেওঁক এনে কাৰ্যকলাপত লিপ্ত হোৱাৰ পৰা প্ৰতিৰোধ কৰাটো প্ৰয়োজনীয় বুলি অনুভৱ কৰিছিল আৰু সেয়েহে, আটকৰ আদেশ প্ৰয়োজনীয় আছিল।

যদি, এই তথ্যসমূহৰ যিকোনো এটাৰো অস্তিত্ব নাথাকে তেন্তে আটকৰ আদেশ নিষ্ক্ৰিয় হৈ পৰিব।

১০. বৰ্তমানৰ গোচৰটো ওপৰোক্ত নিষ্পত্তি হোৱা আইনী প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত পৰীক্ষা কৰাৰ প্ৰয়োজন আছে। আপীলকাৰী শ্ৰী এল. ৰোশমানীৰ পৰামৰ্শদাতাৰ পৰামৰ্শ অনুসৰি গ্ৰেপ্তাৰৰ পিছত বন্দীজনে কেতিয়াও জামিন আবেদন দাখিল কৰা নাছিল আৰু তেওঁ ইয়াৰ পূৰ্বে কোনো ফৌজদাৰী গোচৰত জড়িত হোৱা নাছিল। আৰু দুটা জামিন আদেশত ভিত্তি কৰা হৈছে। সেইবোৰ ভিন্ন এফ.আই.আৰ.ৰ সৈতে সম্পৰ্কিত, একেটা গোচৰৰ সৈতে নহয়। সেই গোচৰবোৰত অভিযুক্তসকলক জামিন প্ৰদান কৰা হৈছিল আৰু তেওঁলোকৰ কোনোৱেই এই গোচৰটোত বন্দীৰ সৈতে সহ- অভিযুক্তৰূপে জড়িত হোৱা নাছিল। সেয়েহে, আটক কৰোঁতা কৰ্তৃপক্ষৰ বাবে সেই জামিন আদেশসমূহৰ ওপৰত নিৰ্ভৰ কৰাটো জৰুৰী নাছিল আৰু আটক কৰোঁতা কৰ্তৃপক্ষৰ সন্মুখত এনে কোনো তথ্য নাছিল যাৰ ভিত্তিত ব্যক্তিগত সন্তুষ্টি লাভ কৰিব পাৰি যে তাৎক্ষণিক

গোচৰটোত বন্দীজনক জামিনত মুকলি কৰাৰ সম্ভাৱনা আছে আৰু জামিনত মুকলি কৰাৰ পিছত তেওঁ সমাজৰ বাবে ক্ষতিকাৰক কাৰ্যকলাপত লিপ্ত হ'ব আৰু ৰাজহুৱা শৃংখলাৰক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিব।

১১. আনহাতে, ভাৰত চৰকাৰৰ হৈ হাজিৰ হোৱা জ্যেষ্ঠ অধিবক্তা শ্ৰী আৰ. পি. ভট্ট আৰু ৰাজ্য চৰকাৰৰ হৈ হাজিৰ হোৱা পৰামৰ্শদাতা শ্ৰী কে. নোবিন সিঙে কয় যে, একে অপৰাধৰ সহ-অভিযুক্তজনক জামিনত মুকলি কৰাৰ প্ৰয়োজন নাই। আটক কৰোঁতা কৰ্তৃপক্ষই বিবেচনা কৰিবলগীয়া কথাটো হ'ল এইয়ে যে, একে ধৰণৰ গোচৰত অৰ্থাৎ একে ধৰণৰ অপৰাধত জামিন প্ৰদান কৰা হৈছে নেকি, আৰু যাৰ ভিত্তিত আটক কৰোঁতাজনে জামিনৰ বাবে আবেদন কৰিলে, জামিনত মুকলি কৰা হ'ব।

১২. *ৰেখা বনাম সচিবৰ জৰিয়তে তামিলনাডু ৰাজ্য চৰকাৰ আৰু আনএজন,* (২০১১) ৫ এছ.চি.চি. ২৪৪ত এই আদালতে বিষয়টোৰ সৈতে মোকাবিলা কৰোঁতে ৰায় দিছিলঃ

"আটকৰ কাৰণৰ ৪ নং অনুচ্ছেদত ওপৰত উল্লেখ কৰা বিবৃতিটো পৰ্যবেক্ষণ কৰিলে দেখা যায় যে, একেধৰণৰ অভিযুক্ত গোচৰৰ বিষয়ত কোনো বিৱৰণ দিয়া হোৱা নাই, য'ত সংশ্লিষ্ট আদালতে জামিন প্ৰদান কৰা বুলি অভিযোগ কৰা হৈছিল। তাত অভিযুক্ত জামিন আদেশৰ তাৰিখৰ উল্লেখ নাছিল, জামিন আবেদন নম্বৰ নাছিল, *একে গোচৰত সহ-অভিযুক্তৰ ক্ষেত্ৰত* জামিনৰ আদেশ প্ৰদান কৰা নাছিল, বা অভিযুক্তৰ গোচৰৰ অনুৰূপ আন সহ-অভিযুক্তৰ ক্ষেত্ৰত জামিনৰ আদেশ প্ৰদান কৰা হৈছিল নে নাই সেই বিষয়ে উল্লেখ কৰা হোৱা নাই..........।

আমাৰ মতে, যদি উত্তৰদাতাপক্ষই একে ধৰণৰ গোচৰত অভিযুক্ত জামিন আদেশৰ তাৰিখৰ উল্লেখ নাছিল, জামিন আবেদন নম্বৰ নাছিল, *একে গোচৰত সহ-*

*অভিযুক্তৰ ক্ষেত্ৰত* জামিন আদেশ প্ৰদান কৰা নাছিল, বা আবেদনকাৰীৰ গোচৰৰ অনুৰূপ আন সহ-অভিযুক্তৰ ক্ষেত্ৰত জামিনৰ আদেশ প্ৰদান কৰা হৈছিল নে নাই সেই বিষয়ে উল্লেখ কৰা হোৱা নাই.......... এই বিষয়ত সবিশেষ দিয়ে তেন্তে নিশ্চিতভাৱে যুক্তি দিব পাৰি যে, অভিযুক্তজনক জামিনত মুকলি কৰাৰ সম্ভাৱনা আছে, কিয়নো বেছিভাগ আদালতৰ স্বাভাৱিক প্ৰথা হ'ল এইয়ে যে, যদি *সহ-অভিযুক্তক* জামিন প্ৰদান কৰা হয় আৰু তেওঁৰ গোচৰটো আবেদনকাৰীৰ গোচৰৰ অনুৰূপ হয়, তেন্তে আবেদনকাৰীক সাধাৰণতে জামিন প্ৰদান কৰা হয়..........। আটক কৰাৰ ভিত্তিত কেৱল নিজাববীয়া বিবৃতিয়ে আটকৰ আদেশ বৰ্তাই ৰাখিব নোৱাৰে আৰু এইটো উপেক্ষনীয়.........।

আমাৰ মতে, ইতিমধ্যে জিম্মাত থকা এজন ব্যক্তিক জামিনত মুকলি কৰি দিয়াৰ প্ৰকৃত সম্ভাৱনা আছে যদিহে, তেওঁ জামিন আবেদন দাখিল কৰিছে যিখন বিচাৰাধীন হৈ আছে। এইটো যুক্তিসংগতভাৱে অনুসৰণ কৰা হয় যে, যদি কোনো জামিন আবেদন বিচাৰাধীন হৈ থকা নাই, তেন্তে জিম্মাত থকা ব্যক্তিজনক জামিনত মুকলি কৰাৰ কোনো সম্ভাৱনা নাই আৰু সেয়েহে আটকৰ আদেশ অবৈধ হ'ব। অৱশ্যে, এই নিয়মৰ এটা ব্যতিক্ৰম হ'ব পাৰে, অৰ্থাৎ *য'ত একেপৰিস্থিতিত থকা এজন সহ-অভিযুক্তক জামিন প্ৰদান কৰা হৈছে*। এনে ক্ষেত্ৰত, আটক কৰা কৰ্তৃপক্ষই যুক্তিসংগতভাৱে এই সিদ্ধান্তত উপনীত হ'ব পাৰে যে, বন্দীজনক জামিনত মুকলি কৰাৰ সম্ভাৱনা আছে যদিও, তেওঁৰ কোনো জামিন আবেদন বিচাৰাধীন হৈ থকা নাই, যিহেতু, বেছিভাগ আদালতে সাধাৰণতে এই ভিত্তিত জামিন প্ৰদান কৰে।"

(গুৰুত্ব প্ৰদান কৰা হৈছে)

সেয়েহে, উপৰোক্ত ৰায়ৰ পৰা এইকথা স্পষ্ট যে, একেধৰণৰ অপৰাধৰ সৈতে জড়িত এইটো একেধৰণৰ গোচৰ নহয়। এইটো হ'ব লাগে যে, একে অপৰাধৰ সহ-অভিযুক্তজনক জামিনত মুকলি কৰা হয় আৰু যাৰ ভিত্তিত বন্দীজনক জামিনত মুকলি কৰিব পাৰি।

১৩. এতিয়ালৈকে আপীলকাৰীৰ পুত্ৰৰ ক্ষেত্ৰত ক'বলৈ হ'লে, তেওঁক ১৪-০৬-২০১১ত এফ. আই. আৰ. নং ৫৩ (৬) ২০১১ত আই. পি. চি.ৰ ধাৰা নং ৩০২ আৰু অস্ত্ৰ আইনৰ ধাৰা নং ২৫(১-এ), অধীনত সম্পৰ্কীয় অপৰাধৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছিল। অচিনাকি ব্যক্তিৰ বিৰুদ্ধে এফ. আই. আৰ. দাখিল কৰা হৈছিল, অৱশ্যে, আপীলকাৰীৰ পুত্ৰক উক্ত অপৰাধৰ সন্দৰ্ভত ১৯-০৬-২০১১ত গ্ৰেপ্তাৰ কৰা হৈছিল। পৰৱৰ্তী সময়ত, এন. এছ. আইনৰ অধীনত জিলা ন্যায়িক দণ্ডাধীশে আন বহুকাৰণৰ উপৰিও বিভিন্ন ভিত্তিলৈ ৩০-০৬-২০১১তাৰিখৰ আটকৰ আদেশ জাৰি কৰিছিল যে, আপীলকাৰীৰ পুত্ৰ ধন উৎকোচ লোৱা আৰু বেআইনী সংগঠন- কাংলেইপাক কমিউনিষ্ট পাৰ্টিৰ পলাটক সদস্যক আশ্ৰয় দিয়াৰ সৈতে জড়িত আছিল (গেজেট অৱ ইণ্ডিয়াত প্ৰকাশিত ১৩-১১-২০০৯ৰ জাননী অনুসৰি)। কাৰণ, তেওঁৰ কাৰ্যকলাপ ৰাজ্যখনৰ নিৰাপত্তা আৰু ৰাজহুৱা শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰত ন্যায় ভিন্ন আছিল। আটকৰ আদেশৰ সমৰ্থনত, নিৰ্ভৰ কৰা বহুতো নথিপত্ৰৰ লগতে আন তথ্য যোগান ধৰা হৈছিল, তাৰ ভিতৰত আছিল- আনল'ফুল এক্টিভিটী (প্ৰিভেনচন) এক্ট, ১৯৬৭[অপ্ৰীতিকৰ কাৰ্য্যকলাপ (প্ৰতিৰোধ) আইন, ১৯৬৭] (আগলৈ ইউ. এ.(পি) আইন বুলি উল্লিখিত)ৰ ধাৰা ১৭/২০ৰ অধীনত দাখিল কৰা এফ. আই. আৰ. নং ২৫৪ (১২) ২০১০ৰ প্ৰতিলিপি আৰু ইউ. এ. (পি) আইনৰ ধাৰা ২০ৰ অধীনত দাখিল কৰা এফ. আই. আৰ.

নং ২১০ (৫) ২০১১ৰ প্ৰতিলিপি আৰু সেই গোচৰবোৰত ক্ৰমে ১৩-১২-২০১০ আৰু ০১-০৬-২০১১তাৰিখৰ মুকলি কৰা আদেশ।

বৰ্তমানৰ গোচৰটোত, স্বীকাৰযোগ্যভাৱে, উক্ত জামিন আদেশবোৰ একে গোচৰৰ সহ-অভিযুক্তৰ সৈতে সম্পৰ্কিত নহয়। সেই গোচৰবোৰত জামিনত মুক্তি পোৱা অভিযুক্তসকলৰ বৰ্তমানৰ গোচৰৰ সৈতে কোনো সম্পৰ্ক নাছিল। কেৱল, একে ধৰণৰ গোচৰত আন কাৰোবাক জামিন প্ৰদান কৰা হোৱাৰ বাবেই তাৎক্ষণিক গোচৰটোত বন্দীজনে জামিনৰ বাবে আবেদন কৰিলে তেওঁকো জামিনত মুকলি কৰি দিয়া হ'ব পাৰে বুলি কোনো অনুমান কৰিব নোৱাৰি। সেয়েহে, যিহেতু তাৎক্ষণিক গোচৰটোৰ বন্দীজনে জামিন আবেদন দাখিল কৰা নাই আৰু আন কোনো সহ-অভিযুক্ত, যদিহে থাকে তেওঁকো জামিনত মুকলি কৰা হোৱা নাছিল, সেয়েহে আইনৰ ব্যৱস্থাসমূহৰ আশ্ৰয় লোৱাটো অনুমোদনযোগ্য নাছিল। সেয়েহে, বিচাৰাধীন আটকৰ আদেশটো আটকৰ ক্ষেত্ৰত কেৱল নিজাববীয়া বিবৃতিৰ ওপৰত আধাৰিত আৰু যি আইনৰ দৃষ্টিত বহনক্ষম নহয়।

১৫. আপীলটো সফলৰূপে গ্ৰাহ্য হয় আৰু অনুমতি প্ৰদান কৰা হয়। ইয়াৰ দ্বাৰা বিচাৰাধীন ৰায় আৰু আদেশ বাতিল কৰা হয় আৰু ৩০-০৬-২০১১তাৰিখৰ আটকৰ আদেশ বাতিল কৰা হয়।

আৰ. পি.

আপীল অনুমোদিত।

---------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”